Total No. of Printed Pages—8

**6 SEM TDC GEAS (CBCS)**
**6 (A/B/C/D)**

**2 0 2 4**

( May )

# ASSAMESE

( Generic Elective )

Paper : GE–6 (A/B/C/D)

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–6 (A)

**( অসমীয়া সাহিত্যৰ শিক্ষণ পদ্ধতি )**

**( Teaching of Assamese Literature )**

১। (ক) শিক্ষণ ব্যৱস্থাৰ ক্ষেত্ৰত সাহিত্য শিক্ষণে কিয় সুকীয়া গুৰুত্ব বহন কৰে, আলোচনা কৰা। ১৬

*অথবা*

(খ) সাহিত্য শিক্ষণৰ ক্ষেত্ৰত প্ৰযোজ্য তিনিটা দিশৰ বিষয়ে বিৱৰি আলোচনা কৰা।

২। (ক) ছাত্ৰছাত্ৰীৰ মনত ৰেখাপাত কৰিবৰ বাবে পাঠ-পৰিকল্পনা প্ৰস্তুত কৰোঁতে মন কৰিবলগীয়া দিশসমূহ সম্পৰ্কে আলোচনা কৰাঁ। ১৬

*অথবা*

(খ) 'ফলপ্ৰসূ সাহিত্য শিক্ষণ আৰু পাঠ-পৰিকল্পনা'—এই বিষয়ক এটি প্ৰবন্ধ যুগুত কৰাঁ।

৩। (ক) বহুল সামাজিক প্ৰেক্ষাপটত কবিতা শিক্ষণে কেনে লক্ষ্য আৰু উদ্দেশ্য সাধন কৰে, আলোচনা কৰাঁ। ৮+৮=১৬

*অথবা*

(খ) গীত আৰু অভিনয় পদ্ধতি কিদৰে কবিতা শিক্ষণত ব্যৱহাৰ কৰিব পাৰি, উদাহৰণসহ বিৱৰি আলোচনা কৰাঁ। ১৬

৪। (ক) সাহিত্য শিক্ষণৰ ক্ষেত্ৰত গদ্য শিক্ষণৰ গুৰুত্ব বিচাৰ কৰাঁ। ১৬

*অথবা*

(খ) গদ্য শিক্ষণত হাৰ্বাৰ্টৰ পঞ্চাংক পদ্ধতিৰ স্তৰসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ।

৫। (ক) সাহিত্যৰ সৌন্দৰ্য বিচাৰৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা দিশবোৰৰ বিষয়ে আলোচনা কৰাঁ। ১৬

*অথবা*

(খ) ৰচনা শৈলীয়ে সাহিত্যৰ সৌন্দৰ্য বিচাৰত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে, আলোচনা কৰাঁ।





## Paper : GE–6 (B)

## ( অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি )

## ( Teaching of Assamese Language )

১। (ক) ভাষা শিক্ষণ কৌশলৰ ভাগসমূহৰ চমু পৰিচয় দি ভাষা শিক্ষণৰ ক্ষেত্ৰত শ্ৰৱণৰ ভূমিকাৰ বিষয়ে লিখাঁ। ৮+৮=১৬

*অথবা*

(খ) শিক্ষা ব্যৱস্থাত ভাষা শিক্ষণৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰাঁ। ১৬

২। (ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিৰ একোখনকৈ তালিকা প্ৰস্তুত কৰাঁ। ৬+৬=১২

*অথবা*

(খ) অসমীয়া ভাষাৰ বাক্য গঠন পদ্ধতি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰাঁ। ১২

৩। (ক) ভাষা শিক্ষণত ব্যাকৰণ শিক্ষাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) ব্যাকৰণ শিক্ষণত অৱৰোহী পদ্ধতিৰ প্ৰয়োগ সম্পৰ্কে বিৱৰি আলোচনা কৰাঁ।

৪। (ক) অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ কিদৰে আঁতৰ কৰিব পাৰি, আলোচনা কৰা। ১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ উচ্চাৰণত পোৱা সমস্যাসমূহ কিদৰে আঁতৰ কৰিব পাৰি, আলোচনা কৰা।

৫। (ক) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা শিক্ষণৰ ক্ষেত্ৰত কি কি উদ্দেশ্য সমুখত ৰখা উচিত, আলোচনা কৰা। ১৬

*অথবা*

(খ) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা আয়ত্তকৰণৰ বাবে কি কাৰ্যৰ যোগেদি শিকাৰুক সহায় কৰিব পাৰি, আলোচনা কৰা।

৬। উত্তৰ দিয়াঁ : ১×৬=৬

(ক) অসমীয়া ভাষা কোনটো প্ৰাকৃতৰ পৰা ওলাইছে?

(খ) "মাতৃভাষা শিকিবৰ বাবে ব্যাকৰণ অপৰিহাৰ্য নহয়।" কথাষাৰ শুদ্ধনে?

(গ) 'আলমাৰি' শব্দটো কোন ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে?

(ঘ) অসমীয়া ভাষাৰ একমাত্ৰ কণ্ঠ্য ব্যঞ্জন বৰ্ণটো কি?

(ঙ) 'অসমীয়া ভাষাৰ ব্যাকৰণ' গ্ৰন্থৰ লেখক কোন?

(চ) অসমীয়া ভাষাৰ এটা লয় বৰ্ণৰ নাম লিখাঁ।





## Paper : GE–6 (C)

## ( লোক পৰিৱেশ্য কলা )

## ( Performing Arts )

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ইংৰাজী 'Folk' শব্দৰ পৰিভাষাৰূপে অসমীয়াত কি শব্দ ব্যৱহাৰ কৰা হয়?

(খ) 'চিফুং' কোন জনগোষ্ঠীৰ বাদ্যযন্ত্ৰ?

(গ) 'সাহিত্য' কোনবিধ কলাৰ অন্তৰ্গত?

(ঘ) অসমৰ একমাত্ৰ শাস্ত্ৰীয় নৃত্যবিধৰ নাম লিখাঁ।

(ঙ) 'ফাৰকান্তি' নৃত্যৰ লগত বজোৱা সৰু তালবিধৰ নাম কি?

(চ) 'দেওধনী নৃত্য' প্ৰধানকৈ কোনগৰাকী দেৱীৰ লগত জড়িত?

(ছ) 'কুশান গান'ৰ কুশান অভিধাটি কোন পদৰ পৰা আহিছে?

(জ) 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা' গ্ৰন্থখনৰ ৰচক কোন?

২। যি কোনো আঠোটাৰ উত্তৰ দিয়াঁ : ২×৮=১৬

(ক) Folklore পদটি কোনে, ক'ত প্ৰথম ব্যৱহাৰ কৰিছিল?

(খ) বৰঢোল আৰু সুতুলী কোন শ্ৰেণীৰ বাদ্য?

(গ) লোকগীতৰ দুটা বৈশিষ্ট্য লিখাঁ।

(ঘ) বাগৰুম্বা নৃত্যত ব্যৱহাৰ হোৱা দুবিধ বাদ্যৰ নাম লিখাঁ।

(ঙ) দুবিধ অৰ্ধনাটকীয় লোক অনুষ্ঠানৰ নাম লিখাঁ।

(চ) গুমৰাগ কোনটো জনগোষ্ঠীৰ লোকনৃত্য? এই নৃত্য কোন উৎসৱত পৰিৱেশন কৰে ?

(ছ) ভাৰী গান প্ৰধানত কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত? ইয়াক কিয় 'মুখৰা গান' বুলিও কোৱা হয়?

(জ) ঝুমুৰ নৃত্য কোন উৎসৱৰ লগত জড়িত? এই উৎসৱ কেতিয়া অনুষ্ঠিত হয়?

(ঝ) বিয়াহৰ ওজাপালি আৰু সুকনান্নি ওজাপালিত প্ৰধানকৈ কিহৰ পদ গোৱা হয়?

(ঞ) অংকীয়া ভাওনা আৰু পুতলা নাচৰ মাজত থকা দুটা সাদৃশ্য উল্লেখ কৰাঁ।

৩। (ক) 'লোক'-ৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ইয়াৰ লগত সংযুক্তহৈ থকা ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৫+৭=১২

*অথবা*

(খ) কলাৰ প্ৰধান ভাগসমূহ উল্লেখ কৰি প্ৰতিটো ভাগৰে চমু আলোচনা কৰাঁ। ২+১০=১২

৪। (ক) লোক পৰিৱেশ্য কলাৰ বিভিন্ন অংগসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ১২

*অথবা*

(খ) লোক পৰিৱেশ্য কলা হিচাপে লোকনৃত্যৰ এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱাঁ।

৫। (ক) লোক পৰিৱেশ্য কলাত কথক আৰু গায়কৰ গুৰুত্ব বিচাৰ কৰাঁ। ১২

*অথবা*

(খ) অসমৰ লোক পৰিৱেশ্য কলাৰ ঐতিহ্যত 'কুশান গান'ৰ স্থান নিৰ্ণয় কৰি এটি আলোচনা আগবঢ়োৱাঁ।





৬। চমু টোকা লিখাঁ ( যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বাদ্যৰ প্ৰকাৰ

(খ) হুচৰি

(গ) বাগৰুম্বা

(ঘ) পুতলা নাচ

(ঙ) শ্ৰমৰ সৈতে জড়িত গীত

(চ) ঝুমুৰ

## Paper : GE–6 (D)

## ( অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন )

## ( Culture of Assam and Cultural Tourism )

১। (ক) অসমৰ জনজাতীয় জীৱন আৰু সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৩

*অথবা*

(খ) সাংস্কৃতিক পৰ্যটনৰ প্ৰকাৰসমূহ উল্লেখ কৰি অসমৰ নদীকেন্দ্ৰিক পৰ্যটনৰ সম্ভাৱনা থকা পৰ্যটন ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৩+১০=১৩

২। (ক) গুৱাহাটী মহানগৰ উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা পৰ্যটনৰ প্ৰাণকেন্দ্ৰৰূপে গঢ়লৈ উঠাৰ কাৰকসমূহ উল্লেখ কৰাঁ। এই ক্ষেত্ৰৰ পৰ্যটন অধিক সমৃদ্ধ হৈ উঠিবলৈ ল'বলগা কাৰ্যপন্থা সম্পৰ্কে তোমাৰ মতামত আগবঢ়োৱাঁ। ৬+৬=১২

*অথবা*

(খ) অসমৰ পৰ্যটন ক্ষেত্ৰলৈ কাজিৰঙা অভয়াৰণ্যৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১২

৩। যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা : ৫×৩=১৫

(ক) সেউজ পৰ্যটন আৰু প্ৰত্যাহ্বান

(খ) অসমৰ ধৰ্ম পৰ্যটন ক্ষেত্ৰ আৰু সম্ভাৱনা

(গ) পৰ্যটন ক্ষেত্ৰৰ আবাসিক সা-সুবিধা

(ঘ) অসমত পৰ্যটনৰ প্ৰাকৃতিক পৰিৱেশ

৪। (ক) শিৱসাগৰ জিলাৰ প্ৰধান পুৰাতাত্ত্বিক পৰ্যটন ক্ষেত্ৰসমূহৰ পৰিচয় দাঙি ধৰা। ১২

*অথবা*

(খ) 'ধৰ্মীয় আৰু সাংস্কৃতিক পৰ্যটনৰ সমন্বয়স্থলী হিচাপে মাজুলী'—শীৰ্ষক এটি আলোচনা যুগুত কৰা।

৫। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৭×৪=২৮

(ক) ধৰ্মীয় পৰ্যটনস্থলীৰূপে নগাঁও

(খ) পৰ্যটন ক্ষেত্ৰৰূপে কামাখ্যা

(গ) অসমৰ যাতায়াত ব্যৱস্থা

(ঘ) অসমৰ পক্ষী পৰ্যটন

(ঙ) পৰ্যটন ক্ষেত্ৰৰূপে তেজপুৰ

★★★